# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 25-07-2024
**Time :** 0900 Hrs

## *Assamese Morning Bulletin*
## HEADLINES

১। ৰাজ্যৰ কেইবাখনো জিলাত জাপানীজ এনচেফেলাইটিছ্ ৰোগৰ সংক্ৰমণ হোৱাৰ পৰিপ্ৰেক্ষিতত স্বাস্থ্য বিভাগৰ বিশেষ ব্যৱস্থা গ্ৰহণ।

২। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যৰ বিভিন্ন বিষয়লৈ কালি কেন্দ্ৰীয় ৰেল মন্ত্ৰী, যোগাযোগ আৰু ঘাইপথ মন্ত্ৰী, আৰু কেন্দ্ৰীয় শিক্ষামন্ত্ৰীক সাক্ষাৎ।

৩। কাছাৰ, কৰিমগঞ্জ আৰু হাইলাকান্দি জিলাৰ বিদ্যালয়সমূহৰ শিক্ষাৰ পৰিস্থিতি সম্পৰ্কে শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ পৰ্যালোচনা বৈঠক।

৪। অসমৰ ঘাইপথসমূহৰ উন্নয়নৰ বিষয়ৰে কেন্দ্ৰীয় মন্ত্ৰী নিতীন গাডকাৰীৰে সাংসদ গৌৰৱ গগৈৰ আলোচনা।

*আৰু*

৫। পেৰিছ্ অলিম্পিকৰ আনুষ্ঠানিক উদ্বোধনী অনুষ্ঠানৰ পূৰ্বে আজি প্ৰতিযোগিতাত ভাৰতৰ অভিযান আৰম্ভ।

০০০০০০০

ৰাজ্যৰ কেইবাখনো জিলাত জাপানীজ এনচেফেলাইটিছ্ ৰোগৰ সংক্ৰমন হোৱাৰ পৰিপ্ৰেক্ষিতত স্বাস্থ্য বিভাগে কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিছে। মৰিগাওঁ জিলাত বানৰ পাছতে কেইবাগৰাকীও লোক এই ৰোগত আক্ৰান্ত হৈছে। জিলাখনত ৩ জন লোকৰ জাপানীজ এনচেফেলাইটিছ্ আৰু এনে ধৰণৰ ৰোগৰ ফলত মৃত্যু হৈছে। লোককেইজন ৰাজামণি মেধী, ভৰকান্ত নাথ আৰু ইমৰাণা বেগম বুলি জানিব পৰা গৈছে। ইপিনে, মৰিগাওঁ জিলাত বানৰ পাছত ৫ জন লোক মেলেৰীয়াত আক্ৰান্ত হয় বুলিও স্বাস্থ্য বিভাগে প্ৰকাশ কৰিছে।

ইপিনে, চৰাইদেউ জিলাত জাপানীজ এনচেফেলাইটিছ, মেলেৰীয়া, ডেংগী আদি বাহকজনিত ৰোগৰ সংক্ৰমন প্ৰতিৰোধ তথা আক্ৰান্তসকলৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ কালি স্বাস্থ্য বিভাগৰ এখন পৰ্যালোচনা সভা অনুষ্ঠিত হয়। এই সভাত বাহকজনিত ৰোগৰ পৰা হাত সাৰিবলৈ ধোৱা দিয়াৰ ব্যৱস্থা, ঔষধযুক্ত  আঁঠুৱাৰ ব্যৱহাৰ, তেজৰ নমুনা সংগ্ৰহ আৰু ব্যাপক সজাগতা সৃষ্টিৰ পদক্ষেপ গ্ৰহণৰ বিষয়ে আলোচনা কৰা হয়। তদুপৰি এই সভাতে স্বাস্থ্য খণ্ডৰ অন্যান্য কাৰ্যসূচী সম্পৰ্কেও আলোচনা কৰা হয়। জিলাখনৰ আয়ুক্তই জিলা অসামৰিক চিকিৎসালয় আৰু সাপেখাটি খণ্ড প্ৰাথমিক চিকিৎসালয়ত থকা সৰ্পদংশন ব্যৱস্থাপনা কেন্দ্ৰ দুটা অধিক সক্ৰিয় কৰি তোলাৰ বাবে আহ্বান জনায়। তদুপৰি দুমাহযোৱা কাৰ্যসূচীৰে আৰম্ভ হোৱা ডায়েৰীয়া নিৰ্মূল অভিযান সুচাৰুৰূপে ৰূপায়ণ কৰিবলৈ তেওঁ নিৰ্দেশ দিয়ে।

০০০০০০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই দিল্লী ভ্ৰমণৰ সময়ছোৱাত কালি কেন্দ্ৰীয় ৰেল মন্ত্ৰী অশ্বিনী বৈষ্ণৱক সাক্ষাৎ কৰে। অসমৰ ৰেল সংযোগ উন্নত কৰাৰ লগতে ৰেল উৎপাদনকাৰী গোট স্থাপনৰ সম্ভাৱনীয়তা অন্বেষণ কৰি আলোচনাত মিলিত হয়। কামাখ্যাৰ পৰা অযোধ্যাৰ মাজত পোনপটীয়া ৰেল যোগাযোগ আৰম্ভ কৰা, বাংলাদেশ হৈ বৰাক উপত্যকা আৰু পশ্চিমবংগৰ মাজত ৰেল যোগাযোগ আৰম্ভ কৰাৰ সম্ভাৱনা পৰীক্ষা কৰা আদি কেবাটাও গুৰুত্বপূৰ্ণ বিষয় সন্দৰ্ভত মুখ্যমন্ত্ৰী শ্ৰীশৰ্মাই কেন্দ্ৰীয় ৰেল মন্ত্ৰী গৰাকীৰ সৈতে আলোচনাত মিলিত হয়। কেন্দ্ৰীয় ৰেল বাজেটত উত্তৰ-পূব ৰেল সংযোগৰ আবণ্টন বৃদ্ধি কৰাৰ বাবে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক মুখ্যমন্ত্ৰীয়ে কৃতজ্ঞতা জনায়।

ভ্ৰমণৰ কালছোৱাত মুখ্যমন্ত্ৰী শ্ৰীশৰ্মাই কেন্দ্ৰীয় যোগাযোগ আৰু ঘাইপথ মন্ত্ৰী নিতীন গাডকাৰীক সাক্ষাৎ কৰি অসমৰ ৰাষ্ট্ৰীয় ঘাইপথৰ আন্তগাঁথনি কামৰ বিষয়ে বিতং ভাৱে আলোচনাত মিলিত হয়। আলোচনা কালত ৰাজ্যৰ ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণৰ অন্তৰ্গত কেইবাটাও কামৰ অগ্ৰগতিৰ বিষয়ে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক অৱগত কৰে।

মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰীয় শিক্ষা মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানকো সাক্ষাৎ কৰি ৰাজ্যত শিক্ষাব্যৱস্থা সম্পৰ্কে বিশেষ আলোচনাত মিলিত হয়। অসমৰ শিক্ষাকেন্দ্ৰীক উন্নয়ন আৰু বিকাশৰ উদ্দেশ্যে কেইবাখনো আচঁনিত কেন্দ্ৰীয় চৰকাৰে আগবঢ়োৱা সমৰ্থনৰ বাবে মুখ্যমন্ত্ৰী শ্ৰীশৰ্মাই কৃতজ্ঞতা জ্ঞাপন কৰে।

০০০০০০০০

ৰাজ্যৰ শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কালি বৰাক উপত্যকাৰ কাছাৰ, কৰিমগঞ্জ আৰু হাইলাকান্দি জিলাৰ বিদ্যালয়সমূহৰ শিক্ষাৰ বুজ লোৱাৰ উদ্দেশ্যে কাছাৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত পৰ্যালোচনা সভাত ভাগ লয়। জিলা তিনিখনৰ বিদ্যালয়সমূহৰ বিগত তিনিবছৰীয়া শৈক্ষিক স্থিতি, গুণোৎসৱৰ ফলাফল, আন্তঃগাঁথনি আদি ভিন্ন দিশৰ বিষয়ে জিলা শিক্ষা বিষয়াৰ পৰা কাম-কাজৰ বুজ লয়। পৰ্যালোচনা সভাত বিদ্যালয় একত্ৰীকৰণ তথা উন্নীতকৰণ, শিক্ষকৰ বদলিকৰণ, প্ৰাদেশিকীকৰণ, শিক্ষা সেতু এপ আদি বিষয়তো শিক্ষামন্ত্ৰীগৰাকীয়ে শিক্ষা বিষয়াসকলক যাৱতীয় ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ প্ৰদান কৰে। পৰ্যালোচনা বৈঠকত শিলচৰৰ বিধায়ক দ্বিপায়ন চক্ৰৱৰ্তী, বিদ্যালয় শিক্ষা বিভাগৰ সচিব এছ্ এন চৌধুৰী উপস্থিত থাকে।

০০০০০০০০

যোৰহাট সমষ্টিৰ সাংসদ গৌৰৱ গগৈৰে কালি কেন্দ্ৰীয় পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰী নিতিন গাডকাৰীক সাক্ষাৎ কৰে। সংসদত চলিত বৰ্ষাকালীন অধিৱেশনৰ মাজতে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক সাক্ষাৎ কৰি অসমৰ ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ অৱনতিৰ বিষয়ে আলোচনা কৰে। আলোচনা কালত সাংসদগৰাকীয়ে যোৰহাটৰ পৰা জাঁজীলৈ আৰু ডিব্ৰুগড়ৰ পৰা আগলৈ ঘাইপথটোৰ নিবিদা প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছিল যদিও তিনিবাৰ কৈ বাতিল হোৱাৰ কথা জনায়। সাংসদ গগৈৰে নিবিদা প্ৰক্ৰিয়াৰ চতুৰ্থ পৰ্যায়ত ইতিবাচক ফলাফলৰ আশাৰে শ্ৰীগাডকাৰীক সাক্ষাৎ কৰি স্মাৰকপত্ৰ প্ৰদান কৰে।

০০০০০০০০

লোকসভাত কালি ২০২৪-২৫ বৰ্ষৰ কেন্দ্ৰীয় বাজেটক লৈ আলোচনা হয়। আলোচনাৰ পাতনি মেলি কংগ্ৰেছৰ কুমাৰী চেলজাই কৰ্মসংস্থাপনহীনতাৰ বিষয় উল্লেখ কৰে। সাংসদগৰাকীয়ে কয় যে, দিনক দিনে দেশত এই সমস্যা বৃদ্ধি পাইছে। তেওঁ কেন্দ্ৰীয় চৰকাৰৰ বিভাগসমূহত খালী হৈ থকা পদসমূহ পূৰণৰ বাবে চৰকাৰে কিয় ব্যৱস্থা গ্ৰহণ কৰা নাই বুলি প্ৰশ্ন উত্থাপন কৰে। কংগ্ৰেছ নেতৃগৰাকীয়ে অগ্নিবীৰ আঁচনিখনক লৈ চৰকাৰক সমালোচনা কৰে আৰু আঁচনিখন প্ৰত্যাহাৰ কৰিবলৈ দাবী জনায়। চৰকাৰে বাজেটত খেতিয়ক

আৰু শ্ৰমিকসকলক আওকান কৰা বুলি তেওঁ অভিযোগ তোলে। সাংসদগৰাকীয়ে কয় যে, চৰকাৰে ন্যূনতম সমৰ্থনমূল্য সন্দৰ্ভত খেতিয়কসকলক আইনী নিশ্চয়তা প্ৰদান কৰা উচিত আৰু শ্ৰমিকসকলৰ বাবে কমেও ৪শ টকাৰ দৈনিক মজুৰী ধাৰ্য কৰিব লাগে।

আলোচনাত অংশগ্ৰহণ কৰি বিজেপিৰ বিপ্লৱ কুমাৰ দেৱে কয় যে, ২০১৪ চনত বিজেপি চৰকাৰ ক্ষমতালৈ অহাৰ সময়ত ভাৰত অৰ্থনৈতিকভাৱে দুৰ্বল বিশ্বৰ ৫ খন দেশৰ ভিতৰত আছিল। তেওঁ কয় যে নৰেন্দ্ৰ মোদী চৰকাৰে অৰ্থনৈতিক ব্যৱস্থা স্বচ্ছ কৰি তুলিছে।

সমাজবাদী পাৰ্টীৰ বীৰেন্দ্ৰ সিঙে আলোচনাত ভাগ লৈ বিজেপি নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে বাজেটত উত্তৰপ্ৰদেশক আওকান কৰা বুলিও অভিযোগ তোলে। তেওঁ ইয়াক যুক্তৰাষ্ট্ৰীয় গাঠনিৰ ওপৰত হোৱা আক্ৰমন বুলি আখ্যা দিয়ে।

আলোচনাত অংশ লৈ তৃণমূল কংগ্ৰেছৰ সাংসদ অভিযেক বেনাৰ্জীয়ে কৰ্মসংস্থাপন, বিমুদ্ৰাকৰণ আৰু বিৰোধী নেতাসকলৰ বিৰুদ্ধে কেন্দ্ৰীয় সংস্থাসমূহৰ অপব্যৱহাৰৰ বিষয় লৈ চৰকাৰক তীব্ৰ সমালোচনা কৰে। কেন্দ্ৰীয় চৰকাৰ নিজৰ প্ৰতিশ্ৰুতি আৰু নিশ্চয়তা পূৰণত ব্যৰ্থ হোৱা বুলি তেওঁ অভিযোগ তোলে।

ডি এম কেৰ দয়ানিধি মাৰানে বাজেটত তামিলনাডুক অবহেলা কৰা বুলি অভিযোগ উত্থাপন কৰে। তেওঁ লগতে মূল্যবৃদ্ধিৰ বাবে দেশৰ জনসাধাৰণ জিয়াতু ভুগিবলগীয়া হৈছে বুলি মন্তব্য কৰে।

জে ডি ইউৰ দিনেশ চন্দ্ৰ যাদৱে বিহাৰৰ ছহৰছাত বিমান বন্দৰ আৰু এইমছ স্থাপন কৰিবলৈ দাবী জনায়। তেওঁ লগতে কয় যে চৰকাৰে সাংসদসকলৰ দৰমহা আৰু ভাট্টা বৃদ্ধি কৰাৰ কথা বিবেচনা কৰা উচিত, কিয়নো তেওঁলোকেও সমস্যাৰ সন্মুখীন হ'বলগীয়া হয়।

আলোচনাত অংশ লৈ এন চি পিৰ শাৰদ পাৱাৰ গোটৰ সুপ্ৰিয়া ছুলেই জম্মু-কাশ্মীৰত বিধানসভা নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ চৰকাৰৰ প্ৰতি আহ্বান জনায়। তেওঁ বিনিয়োগ, ব্যৱহাৰ, ৰপ্তানি আৰু বিত্তীয় ব্যয়ক শক্তিশালী অৰ্থব্যৱস্থাৰ চাৰি প্ৰকাৰৰ চালিকা শক্তি বুলি অভিহিত কৰে।

কংগ্ৰেছ সাংসদ শশী থাৰুৰে আলোচনাত ভাগ লৈ এইবুলি অভিযোগ কৰে যে চৰকাৰৰ অগ্ৰাধিকাৰ দুখন ৰাজ্যত মিত্ৰদলসমূহৰ তুষ্টিকৰণৰ আশে-পাশে থকা পৰিলক্ষিত হৈছে। তেওঁ এইবাৰৰ বাজেটখনক নিৰাশাজনক বুলি অভিহিত কৰে।

ৰাজ্যসভাতো কালি বাজেটক লৈ আলোচনা হয়। উচ্চ সদনত আলোচনা আৰম্ভ কৰি কংগ্ৰেছ সাংসদ পি চিদাম্বৰমে কৰ্মসংস্থাপনহীনতা আৰু মুদ্ৰাস্ফীতিৰ বিষয় উত্থাপন কৰে। তেওঁ লগতে অগ্নিপথ আঁচনি আৰু নীট পৰীক্ষা বাতিল কৰিবলৈ দাবী জনায়।

আলোচনাত ভাগ লৈ বিজেপিৰ ড০ ৰাধন মোহন দাস আগৰৱালে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত বিগত ১০ বছৰত বিভিন্ন ক্ষেত্ৰত লাভ কৰা সাফল্যত আলোকপাত কৰে।

আলোচনাত ভাগ লৈ অসম গণ পৰিষদৰ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্যই এইবাৰৰ বাজেটখনক কৃষকৰ বাবে অনুকূল আৰু নিয়োগমুখী বুলি অভিহিত কৰে। তেওঁ কয় যে বাজেটত কৃষি, সেৱা উদ্যোগ আৰু নিৰ্মাণ খণ্ডত সমানেই গুৰুত্ব আৰোপ কৰা হৈছে।

০০০০০০০০

দেশৰ সৰ্বোচ্চ অসামৰিক সন্মান পদ্ম বঁটাসমূহৰ বাবে মনোনয়ন দাখিলৰ প্ৰক্ৰিয়া চলিত বৰ্ষৰ ১৫ ছেপ্তেম্বৰ পৰ্যন্ত মুকলি থাকিব। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে এই সন্দৰ্ভত প্ৰকাশ কৰা মতে পদ্ম বঁটাৰ বাবে মনোনয়ন আৰু পৰামৰ্শসমূহ ৰাষ্ট্ৰীয় পুৰস্কাৰ প'ৰ্টেলত অনলাইন ব্যৱস্থাৰ জৰিয়তে গ্ৰহণ কৰা হ'ব। উল্লেখযোগ্য যে পদ্ম

বিভূষণ, পদ্ম ভূষণ আৰু পদ্মশ্ৰী হিচাপে অভিহিত এই পদ্ম বঁটাসমূহ হ'ল - দেশৰ সৰ্বোচ্চ পৰ্যায়ৰ অসামৰিক সন্মান। ১৯৯৫ চনত প্ৰৱৰ্তন কৰা এই বঁটাসমূহ প্ৰতি বছৰে গণৰাজ্য দিৱসৰ সৈতে সংগতি ৰাখি ঘোষণা কৰা হয়। কলা, সাহিত্য আৰু শিক্ষা, ক্ৰীড়া, ভেষজ, সামাজিক কৰ্ম, বাণিজ্য আৰু উদ্যোগ তথা বিজ্ঞান আৰু অভিযান্ত্ৰিক ক্ষেত্ৰলৈ আগবঢ়োৱা বিশিষ্ট তথা ব্যতিক্ৰমী সেৱাৰ প্ৰতি স্বীকৃতি প্ৰদানৰ উদ্দেশ্যে এই বঁটাসমূহ আগবঢ়োৱা হয়। উল্লেখযোগ্য যে চিকিৎসক আৰু বিজ্ঞানীসকলৰ বাহিৰে ৰাজহুৱা খণ্ডৰ অন্তৰ্গত প্ৰতিষ্ঠানত কৰ্মৰত লোকসকলকে ধৰি চৰকাৰী চাকৰিয়ালসকল এই বঁটাৰ বাবে মনোনীত নহয়।

০০০০০০০০০

ভাৰতীয় ৰিজাৰ্ভ বেংকে এটা নিৰ্দেশযোগে তেজপুৰৰ মহাভৈৰৱ কো অপাৰেটিভ আৰবান বেংক লিমিটেডৰ অনুজ্ঞা বাতিল কৰিছে। ইয়াৰ পৰিপ্ৰেক্ষিতত বেংকটোৱে আজিৰে পৰা কোনো ধৰণৰ সেৱা বা ব্যৱসায় কৰিব নোৱাৰিব। তদুপৰি অসম সমবায় সমিতিৰ পঞ্জীয়কক এই সন্দৰ্ভত এটা নিৰ্দেশ জাৰি কৰিবলৈ ৰিজাৰ্ভ বেংকে নিৰ্দেশ দিছে।

০০০০০০০০

উচ্চতম ন্যায়ালয়ে বিচাৰাধীন গোচৰসমূহ নিষ্পত্তিৰ বাবে অহা ২৯ জুলাইৰ পৰা ৩ আগষ্টলৈ লোক আদালতৰ আয়োজন কৰিছে। উচ্চতম ন্যায়ালয়ৰ প্ৰতিষ্ঠাৰ ৭৫ সংখ্যক বৰ্ষ পূৰণ হোৱা উপলক্ষে এই পদক্ষেপ লোৱা হৈছে। মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়ে নাগৰিকসকলক সৰ্বোচ্চ ন্যায়ালয়ত বিচাৰাধীন নিজৰ গোচৰসমূহ নিষ্পত্তিৰ সুবিধা গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে।

০০০০০০০

নিটি আয়োগৰ বিশেষ কাৰ্যসূচী **সম্পূৰ্ণতা অভিযান**ৰ অধীনত অসমৰ কেইবাখনো জিলাত কাৰ্যসূচী অব্যাহত আছে। এই উপলক্ষে ৰাজ্যৰ বিভিন্ন জিলাত স্বাস্থ্য আৰু কৃষি বিভাগে বিভিন্ন সজাগতামূলক কাৰ্যসূচী গ্ৰহণ কৰিছে। সম্পূৰ্ণতা অভিযানৰ অধীনত অভিলাষী জিলা আৰু উন্নয়ন খণ্ডসমূহত মহিলা আৰু শিশুৰ স্বাস্থ্য আৰু পৰিপুষ্টিৰ দিশটো উন্নত কৰাৰ বাবে লক্ষ্য লোৱা হৈছে। ইয়াৰ অংশ হিচাপে মূলতঃ প্ৰথম ৩ মাহতে পঞ্জীয়নভুক্ত প্ৰসূতিৰ সংখ্যা বৃদ্ধিৰ পদক্ষেপ লোৱা হৈছে। তদুপৰি সংহত শিশু বিকাশ সেৱাৰ অধীনত প্ৰসূতিৰ পৰিপূৰক খাদ্য যোগান, শিশুক মাতৃ দুগ্ধপান কৰোৱাৰ প্ৰতি সজাগতা সৃষ্টিৰ দ্বাৰা শিশুৰ সম্পূৰ্ণ ৰোগ প্ৰতিৰোধ ক্ষমতাৰ বৃদ্ধিৰ লক্ষ্য লোৱা হৈছে। সম্প্ৰতি বান ক্ষতিগ্ৰস্ত অঞ্চলসমূহতো প্ৰসূতি আৰু শিশুৰ স্বাস্থ্য ৰক্ষাৰ বাবে এই অভিযানৰ অধীনত ব্যৱস্থা অব্যাহত ৰখা হৈছে। ইপিনে, চৰকাৰে ২০১৫ চনতে কৃষকৰ বাবে আৰম্ভ কৰা ভূমি স্বাস্থ্য কাৰ্ডৰ যোগেদি মাটিৰ নমুনা সংগ্ৰহৰ হাৰ, প্ৰতিটো খণ্ডত মধুমেহ আৰু উচ্চ ৰক্তচাপজনিত ৰোগীসকলক চিনাক্তকৰণৰ হাৰ আৰু একোটা উন্নয়ন খণ্ডত থকা আত্মসহায়ক গোটৰ বিপৰীতে পুঁজি লাভ কৰি থকা গোটৰ হাৰ বৃদ্ধিৰ পদক্ষেপ লোৱা হৈছে। একেদৰে বিদ্যুৎ যোগান থকা মাধ্যমিক পৰ্যায়ৰ বিদ্যালয়ৰ হাৰ তথা পাঠ্যক্ৰম আৰম্ভ হোৱাৰ এমাহৰ ভিতৰতে পাঠ্যপুথি বিতৰণৰ হাৰ বৃদ্ধি কৰাৰো লক্ষ্য লোৱা হৈছে। ৩ মাহজোৱা সম্পূৰ্ণতা অভিযানৰ অংশ হিচাপে নিৰ্বাচিত জনপ্ৰতিনিধিৰ লগতে জিলা তথা খণ্ড বিষয়াসকলে গ্ৰাম সভা, নাটক, পুষ্টিকৰ আহাৰ মেলা, স্বাস্থ্য শিবিৰ, প্ৰদৰ্শনী, সজাগতা সভা আৰু সমদল আদি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰিছে।

০০০০০০০০

ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কৈছে যে, এইবাৰৰ বাজেটত উত্তৰ-পূৰ্বাঞ্চলৰ ৰে'লখণ্ডৰ উন্নয়নৰ বাবে ১০ হাজাৰ ৩৭৬ কোটি টকা আৱণ্টন দিয়া হৈছে। কালি উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ জ্যেষ্ঠ বিষয়া আৰু সংবাদমাধ্যমৰ সৈতে হোৱা বাৰ্তালাপত ৰে'ল মন্ত্ৰী বৈষ্ণৱে কয় যে, উত্তৰ-পূৰ্বাঞ্চলত ৭৪ হাজাৰ ৯৭২ কোটি টকা বিনিয়োগেৰে ১৮টা ৰে'লৱে প্ৰকল্পৰ কাম চলি আছে। তেওঁ কয় যে, যোৱা ১০ বছৰত উত্তৰ-পূৰ্বাঞ্চলত ৪৭০টা ৰে'লৱে আন্দাৰপাছ আৰু অভাৰব্ৰীজৰ নিৰ্মাণ সম্পূৰ্ণ হোৱাৰ লগতে ৬০টা ষ্টেচনৰ পুনঃউন্নয়ন কৰা হৈছে। কেন্দ্ৰই বৰ্তমানৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে পৰ্যাপ্ত ধন আৱণ্টন দিয়া হৈছে বুলি মন্ত্ৰীগৰাকীয়ে কয় যে, এই বছৰৰ ডিচেম্বৰৰ ভিতৰত উত্তৰ-পূৰ্বাঞ্চলৰ সকলো ৰে'লপথ বৈদ্যুতিকৰণ কৰা হ'ব। ইফালে ৰে'লৰ সুৰক্ষাৰ বিষয়টো উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে, এই বিষয়টো চৰকাৰৰ সৰ্বোচ্চ অগ্ৰাধিকাৰৰ বিষয় আৰু যোৱা ১০ বছৰত ৰে'ল দুৰ্ঘটনাৰ সংখ্যা ৬০ শতাংশ হ্ৰাস পাইছে।

oooooooo

ভাৰতে পেৰিছ অলিম্পিকৰ আনুষ্ঠানিক উদ্বোধনী অনুষ্ঠানৰ এদিন পূৰ্বে আজি নিজৰ অভিযান আৰম্ভ কৰিব। ভাৰতৰ দিপীকা কুমাৰী, অংকিতা ভকত, ভজন কৌৰ, বি ধীৰাজ, তৰুণদ্বীপ ৰায় আৰু প্ৰবীণ যাদৱে আৰ্চাৰীৰ ব্যক্তিগত ৰেংকিং ৰাউণ্ডত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। আৰ্চাৰীৰ পৰৱৰ্তী পৰ্যায়ৰ খেলসমূহ অহা ২৮ জুলাইৰ পৰা ৪ আগষ্টলৈ  খেলোৱা হ'ব। মহিলাৰ ৰেংকিং ৰাউণ্ডৰ খেলসমূহ ভাৰতীয় সময় অনুসৰি দিনৰ ১ বজাত আৰু পুৰুষ ৰেংকিং  ৰাউণ্ডৰ খেলসমূহ বিয়লি ৫ বাজি ৪৫ মিনিটত আৰম্ভ হ'ব।

oooooooo

আয়োজক দেশ শ্ৰীলংকাই কালি ডাম্বুলাত অনুষ্ঠিত মহিলাৰ এছিয়া কাপ টি-২০ ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ পৰ্যায়ৰ নিজৰ অন্তিমখন খেলত থাইলেণ্ডক ১০ উইকেটত পৰাস্ত কৰে। খেলখনত থাইলেণ্ডে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেটৰ বিনিময়ত ৯৩ ৰাণ কৰে। থাইলেণ্ডৰ হৈ নন্নাপট কোনচৰোএনকাইয়ে ৫৩টা বলত ৪৭ ৰাণ কৰি আউট নোহোৱাকৈ থাকে। শ্ৰীলংকাৰ কৱিছা দিলহাৰীয়ে দুটা উইকেট লাভ কৰে। প্ৰত্যুত্তৰত শ্ৰীলংকাই ১১ অভাৰ আৰু তিনিটা বলত এটাও উইকেট নেহেৰুৱাকৈ ৯৪ ৰাণ কৰে। শ্ৰীলংকাৰ হৈ ছমাৰি উথাপথুই ৪৫ আৰু ৰিশ্মি গুণৰত্নেই ৩৯ ৰাণ কৰি আউট নোহোৱাকৈ থাকে। ভাৰত শুকুৰবাৰে হবলগীয়া প্ৰতিযোগিতাৰ প্ৰথমখন ছেমি ফাইনেলত বাংলাদেশৰ বিৰুদ্ধে অৱতীৰ্ণ হোৱাৰ বিপৰীতে একেদিনাই হ'বলগীয়া দ্বিতীয়খন ছেমি ফাইনেলত শ্ৰীলংকা আৰু পাকিস্তান মুখামুখি হ'ব।

oooooooo

## *News Paper Review*

কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে ২৩ জুলাইত দাখিল কৰা পূৰ্ণাংগ বাজেটত অসমৰ বান সমস্যা সমাধানত কেৱল সহায়ৰ আশ্বাস দিয়াক কেন্দ্ৰ কৰি ব্যাপক প্ৰতিক্ৰিয়া সৃষ্টি হোৱাৰ পাছত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই নিৰ্মলা সীতাৰমণৰ লগতে আন তিনিজন কেন্দ্ৰীয় মন্ত্ৰীক সাক্ষাৎ কৰাৰ বাতৰিটো দৈনিক অসম কাকতে প্ৰথম পৃষ্ঠাত বিস্তাৰিতভাৱে প্ৰকাশ কৰিছে।

অসমীয়া প্ৰতিদিন কাকতে ৰাজ্যত মেলেৰিয়া, এনচেফেলাইটিছে সংহাৰী ৰূপ ধাৰণ কৰা বাতৰিক প্ৰথম পৃষ্ঠাত তথ্য সহকাৰে প্ৰকাশ কৰিছে। এনচেফেলাইটিছ সদৃশ ৰোগত এতিয়ালৈকে ৰাজ্যত সহস্ৰাধিক আক্ৰান্ত হোৱাৰ বিপৰীতে ৪৭ গৰাকীৰ মৃত্যু হৈছে বুলি বাতৰিটোত উল্লেখ কৰিছে।

কেন্দ্ৰীয় বাজেটত বিৰোধী দলৰ শাসিত ৰাজ্যসমূহক উপেক্ষাৰ ঐক্যবদ্ধ প্ৰতিবাদ হিচাপে দেশৰ ৮ গৰাকী মুখ্যমন্ত্ৰীয়ে নিটি আয়োগৰ বৈঠক বৰ্জন কৰিবলৈ সিদ্ধান্ত লোৱা বাতৰিটোক দৈনিক জনমভূমি কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আমাৰ অসম কাকতে যোৰহাটৰ সাংসদ গৌৰৱ গগৈয়ে কালি কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীক সাক্ষাৎ কৰি অসমৰ ঘাইপথসমূহৰ উন্নয়নৰ বিষয়ে আলোচনা কৰা বাতৰিটো প্ৰথম পৃষ্ঠাত স্থান দিছে।

কাঠমাণ্ডুৰ ত্ৰিভূৱন বিমান কোঠত উৰণৰ সময়তে বিমান দুৰ্ঘটনাগ্ৰস্ত হৈ ১৮ জন লোকৰ মৃত্যু হোৱা খবৰটো দৈনিক অগ্ৰদূত কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

অসমৰ যশস্বী সংগীত পৰিচালক ৰমেন বৰুৱাৰ নিৰুদ্দেশ হোৱা আৰু বৰ্তমানলৈকে কোনো সন্ধান লাভ নকৰাৰ বাতৰিটো অসমীয়া খবৰ কাকতে প্ৰথম পৃষ্ঠাত বিস্তৃতভাৱে প্ৰকাশ কৰিছে। পৰিয়ালকেন্দ্ৰিক আৰু কিছু ব্যক্তিগত কথাই শিল্পীগৰাকীক আঘাত দিছিল বুলি আৰক্ষী আয়ুক্ত দিগন্ত বৰাই মন্তব্য আগবঢ়োৱা বুলি বাতৰিটোত প্ৰকাশ পাইছে।

নিয়মীয়া বাৰ্তা কাকতখনে আমবাৰীৰ বৰ্ধিত কাৰ্যনিৰ্বাহকত বিহাৰৰ দৰে অসমকো আৰ্থিক পেকেজ প্ৰদানৰ বাবে অসম গণ পৰিষদে দাবী জনোৱা বাতৰিটো প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

উত্তৰ-পূৰ্বাঞ্চলৰ ৰে'লসেৱাৰ উন্নীতকৰণৰ বাবে কেন্দ্ৰীয় বাজেটত ১০ হাজাৰ ৩৭৬ কোটি টকা ধাৰ্য কৰা বাতৰিটোক দা আছাম ট্ৰিবিউন কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

একেটা বাতৰিকে দি ছেণ্টিনেল কাকতেও বিস্তৃতভাৱে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে- কাইলৈৰ পৰা আৰম্ভ হ'ব পেৰিছ অলিম্পিক ২০২৪, ১ আগষ্টৰ পৰা দেশত পুনৰ কৃষক অন্দোলন, বন্য হস্তীৰ মৃত্যুৰ ঘটনাৰে জড়িত থকাৰ গোচৰত এন আৰ এলৰ দুই শীৰ্ষ বিষয়াক গ্ৰেপ্তাৰ গোলাঘাট আৰক্ষীৰ ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

oooooooo

**সমাপ্ত**